# লোক নাট্য ‘কুশান গান’ এক সমীক্ষাত্মক আলোচনা

■ কৃষ্ণকান্ত ৰয়

কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসংস্কৃতিয়ে অসমীয়া সংস্কৃতিৰ বৰ পথাৰ খনক সু-সুভিত কৰি তুলিছে। নামনি অসমৰ এই লোকসংস্কৃতিৰ পথাৰ বৰ উৰ্বৰ, ভঁৰাল বৰ চহকী আৰু সমৃদ্ধিশালী। এই লোকসংস্কৃতিৰ ইতিহাস পম খেদি গ'লে অবিভক্ত গোৱালপাৰা জিলাৰ লোক পৰম্পৰা কৃষ্টি সংস্কৃতিৰ বৰ্ণাঢ্য ঐতিহ্যৰ উমান পোৱা যায়। উনুকিয়াই থোৱা ভাল যে নামনি অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ বাহিৰেও উত্তৰবংগ, বাংলাদেশৰ ৰংপুৰ, বিহাৰৰ পুৰ্ণিয়া জিলা আদিৰ লগতে নেপালৰ ঝাপা, মোৰাং সুনসুৰী আদি জিলাসমূহতো এই কৃষ্টিৰ নিদৰ্শন বিদ্যমান। অৱশ্যে ঠাই বিশেষে এই লোক সংস্কৃতিৰ ৰূপান্তৰ ঘটা দেখা যায়। কোচ ৰাজবংশী জনগোষ্ঠীৰ চহা জীৱনৰ প্ৰাচীন পৰম্পৰাগত ভাওৱাইয়া লোকগীত যেনেদৰে বিশ্বৰ বিভিন্ন ঠাইত কিছু সমাদৰ লাভ কৰিলেও কোচ ৰাজবংশীৰ লোকনাট্য সমূহে সিমান জনপ্ৰিয়তা অৰ্জন কৰিব পৰা নাই। অৱশ্যে এই লোকনাট্য-কলা এক আবেদনময়ী কৃষ্টিৰ উপাদান। গীত-বাদ্য-নৃত্যৰ সংমিশ্ৰণত প্ৰাচীন কালৰ পৰাই মানৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকনাট্যৰ আধাৰত লিখিত নাট্য - সাহিত্য ৰূপ পালে বুলি আধুনিক নাট্য-সাহিত্য দাবী কৰিব পাৰে। লোক-নাট্য সমূহত সাধাৰণ খাটি খোৱা জনতাৰ হৃদয়ৰ স্পন্দন জড়িত হৈ আছে।

তাহানিৰ অবিভক্ত গোৱালপাৰা জিলাত ৰজাদিনীয়া পৃষ্ঠপোষকতাত উজ্জীৱিত হৈছিল এই বৈচিত্ৰ্যময় লোককৃষ্টিৰ চৰ্চা আৰু সৃষ্টিৰ কঠিয়াতলি। কোচৰাজবংশী জনগোষ্ঠীৰ লোকনাট্য কুশান গান এক বিশেষ শৈলীৰ প্ৰাঞ্জল লোক পৰিৱেশ্য কলা। যাৰ দ্বাৰা সাধাৰণ চহালোকে মৌলিক ৰূপত আধ্যাত্মিকতাৰ লগতে হৰ্ষ-বিষাদ গাথা জীৱন্ত ৰূপত পৰিবেশন কৰি ধৰ্মীয় জ্ঞান আৰু আদৰ্শৰ মাৰ্গ দৰ্শন কৰি আহিছে বুলি ভবাৰ থল আছে।

কুশান গানৰ উৎপত্তি ৰামায়ণৰ পৰা হৈছে বুলি লোকনাট্যৰ গৱেষক আৰু পণ্ডিত সকলে ঠাৱৰ কৰিছে। এই ক্ষেত্ৰ ত মতানৈক্য থকাটোও নুই কৰিব নোৱাৰি। যেতিয়া শ্ৰীৰামচন্দ্ৰই পত্নী সীতাক বনবাস দিছিল তেতিয়া সীতাই বাল্মীকি মুনিৰ আশ্ৰম আশ্ৰিত হৈ থাকোতে লব-কুশৰ জন্ম হৈছিল। ঋষি বাল্মীকিৰ আশিস ধন্য হৈ লব-কুশৰ নিজ মুখেৰে বৰ্ণিত ৰামায়ণী গীত-মাত- নৃত্য কুশান গানৰ মূল বুনিয়াদ আৰু কুশ নামৰ পৰাই ‘কুশান’ শব্দটিৰ উৎপত্তি হৈছে বুলি বিভিন্ন পণ্ডিতে কলেও মতানৈক্য নথকা নহয় কিয়নো ৰামায়ণী সাহিত্যত ৰাৱণৰ দৰে গুৰুত্বপূৰ্ণ চৰিত্ৰৰ আধাৰত কিছু কিছু অঞ্চলত “ৰাবান গান” বুলি অভিহিত কৰা দেখা যায়। আকৌ পশ্চিম অসমৰ কোনো কোনো ঠাইত থিয় হৈ নৃত্য প্ৰদৰ্শন ক ৰাৰ বাবে এই লোকনাট্যই “খাৰাতাল” নামেৰে প্ৰসিদ্ধ লাভ কৰিছে। এই কুশান গানৰ সৃষ্টি ৰামায়ণৰ মূলকেন্দ্ৰ হলেও মহাভাৰত আৰু অন্যান্য পৌৰাণিক কাহিনীক কুশান গানৰ ভিতৰত লিপিবদ্ধ কৰি পৰিৱেশন কৰাৰ দৃষ্টান্ত আছে। লোক সাহিত্যৰ বৰ্ণনা মতে এই কুশান গানত লবই খাপি বা তাল আৰু কুশই বেনা বজাই আযোধ্যা ৰজাৰ সকলো নাগৰিকক সুললিত সুমধুৰ সুৰৰ মায়াৰে মোহিত কৰি পেলাইছিল আনকি শ্ৰীৰামচন্দ্ৰকো আৱেগ বিহ্বল কৰি এক নান্দনিক পৰিবেশৰ মাজেৰে পিতা-পুত্ৰৰ পৰিচয় ঘটে। লোকবিশ্বাস মতে ‘বেনা’ কুশান গানৰ এক অপৰিহাৰ্য বাদ্যযন্ত্ৰ বুলি স্বীকৃতি লাভ কৰিছে। সেয়েহে এই লোকনাট্যক বহুতে ‘বেনা গান’ বা ৰামবেনা বুলি বহু গৱেষক পণ্ডিত মত পোষণ কৰা দেখা যায়। ওপৰোক্ত বৰ্ণনাৰ পৰা অনুমান কৰিব পাৰি যে কুশান গান ৰামায়ণী সাহিত্যৰ অন্তৰ্ভু ক্ত। ইতিহাসৰ পাত লুটিয়াই চালে দৰং ৰাজবংশাৱলীত বিশ্বসিংহৰ অভিষেকৰ সময়ত ৰামায়ণী বজোৱাৰ উল্লেখ পোৱা যায়, ইয়াৰ পৰা অনুমান কৰিব পাৰি যে কুশান গানত বজোৱা বেনা কোচ ৰজাৰ ৰাজত্বৰ আগৰ পৰাই প্ৰচলিত আছিল। ৰাময়ণ গান বেনাৰ দ্বাৰা গোৱা বাবে ৰামৱয়ণ বুলি নাম দিছিল। জনপ্ৰিয়তাৰ ফালৰ পৰা কুশান গানক ব্ৰজধাম, কৃষ্ণলীলা, ৰামলীলা, ৰাসলীলাৰ লগত কিছুপৰিমানে তুলনা কৰিব পাৰি আনকি তামিলনাডু, অন্ধ্ৰ বা কৰ্ণাটকৰ প্ৰচলিত যক্ষ গানৰ লগত সাদৃশ্য আছে বুলি কিছুমানে কয়।

প্ৰাচীন পৰম্পৰা মতে মানুহৰ মুখে মুখে বাগৰি অহা কুশান গান অভিনয় কৰাৰ বাবে আধুনিক নাটঘৰ বা মঞ্চৰ দৰকাৰ নহয়। অৱশ্যে আজিকালি কুশান গান বিভিন্ন উৎসৱ আৰু মঞ্চতো পৰিবেশনৰ স্থান পাইছে। মুকলি পথাৰত কুশান গানৰ আসৰ বা মঞ্চসজ্জা বৃত্তাকাৰ হয়। মঞ্চৰ চাৰিওফালে দৰ্শক থাকে। প্ৰায় কুৰি বৰ্গফুটমান ঠাই বাহেৰে ঘেৰি দিয়া হয়। এটা সাজঘৰ থাকে, মঞ্চৰ পৰা সাজঘৰলৈ অহা যোৱাৰ কাৰণে সৰু ঠেক বাট থাকে। মঞ্চৰ মাজত যন্ত্ৰাদি লৈ বাইন বা বায়ন পালিসকল প্ৰৱেশ কৰে আৰু গান চলি থকা অৱস্থাত ছুকুৰী সকলে চক্ৰাকাৰে ঘুৰি নৃত্য গীত পৰিবেশন কৰে। মুঠতে কুশান গান দলবদ্ধভাৱে পৰিবেশন কৰিলেও এজন মূল গায়নে পৰিবেশন কৰিবলগীয়া পালাৰ ঘাই গুৰি বঠা ধৰে। তেওঁক মূল গায়ক বা ‘কুশানী’ বা ‘গীদাল’ বুলি কোৱা হয়। তেওঁক অনুসৰণ কৰি দলটিৰ অইন অইন শিল্পীসকলে গীত-নৃত্য হাস্য-ব্যংগৰ উপস্থাপনেৰে শ্ৰোতাৰ উপভোগ্য কৰি তোলে। কুশান গানৰ সাৰ্থকতা লাভ কৰে মূল গায়ক বা কুশানী বা গীদালৰ পাৰদৰ্শিতাৰ ওপৰত আৰু মূল গায়কক সহায় কৰিবলৈ এগৰাকী মূল সহায়ক ব্যক্তি থাকে। তেওঁক ‘দোহাৰী’ বা ‘দোৱাৰী’ বুলি কোৱা হয়। ‘দোৱাৰী’ কামৰূপী ‘ভাউৰীয়া’ বা বহুৱা চৰিত্ৰৰ লেখীয়া। তেওঁ গীদালে পৰিবেশন কৰা পালা গীতৰ মাজে মাজে হুকাৰ বা দোহা ধৰে। লগতে গীদালে গাই যোৱা পালাৰ অৰ্থ কৰা বা ‘ভাংতি’ কৰাত সহায় সহযোগ আগবঢ়ায়। মুঠতে দোৱাৰী হল ব্যংগ, বিদ্ৰূপ, উপহাস আদি কথোপকথনৰ দ্বাৰা বিষয়বস্তু অধিক ৰসাল আৰু প্ৰাণৱন্ত কৰি দৰ্শক ৰাইজক আনন্দ প্ৰদান কৰে। তেওঁ গীত বাদ্য নৃত্য আদি সকলোতে পাৰ্গত আৰু উপস্থিত বুদ্ধিত পৈনত ব্যক্তি। দোৱাৰীজনে গীদালক সহায়ক কৰাৰ লগতে তাত অংশ লোৱা আন আন ছুকুৰী বা নৰ্তকীসকলেও নৃত্য, গীত নাটকীয় বচন, অংগীভংগীৰে কুশানগান জীৱন্ত আৰু ৰসাল কৰি তোলে। পূৰ্বতে চেংৰা বা লৰাবিলাকক ছোৱালীৰ সাজ পিন্ধাই ছুকুৰী সজোৱা হৈছিল, বৰ্তমানে ছোৱালীবিলাকক ছুকুৰী সজোৱা হয়। এই ছুকুৰিৰ সংখ্যা পাঁচ গৰাকীৰ পৰা সাত গৰাকী পৰ্য্যন্ত বা সুবিধা অনুসৰি লোৱা হয়। গীদালক কেন্দ্ৰ কৰি দুগৰাকী বাইন বা বায়ন থাকে। এগৰাকী ‘ডাইনা বাইন’ আনগৰাকী ‘বাওৱা বাইন’ অৰ্থাৎ সোফালৰ বায়ন আৰু বাওফালৰ বায়ন। কুশানী সকলে “ডাইনা বাইন” গৰাকীক গুৰু আৰু “বাওৱা বাইনক” শিষ্যৰূপে গুৰু শিষ্য পৰম্পৰা ৰক্ষা কৰি আহিছে বুলি কব পাৰি। মুঠতে বাল্মিকী মুনিক ডাইনা বাইন আৰু লব-কুশক বাওৱা বাইন বুলি ধৰিব পাৰি। ‘ডাইনা বাইন’ গৰাকীয়ে পালাৰ গীদাল আৰু দোৱাৰীয়ে গীত আৰম্ভ কৰাৰ লগে লগে সুৰ ধৰি অধিক গতিময়তা আৰু আসৰক মুখৰিত কৰি তোলে। আগতে কুশান গানত হাৰমনীয়ামৰ ব্যৱহাৰ নহৈছিল পিছত গীদাল বা গায়কৰ সুবিধাৰ্থে হাৰমনয়িামৰ ব্যৱহাৰ হবলৈ ধৰে। বাদ্যযন্ত্ৰী হিচাপে এজন হাৰমনিয়াম মাষ্টাৰ, এজন তাল বাদক, খোলবাদক দুজন, মুখ বাহি বাদক দুজন আৰু সহযোগী পালি হিচাপে কেইবাজনো থকা দেখা যায়। এই পালি সকলে কেতিয়াবা কেতিয়াবা চৰিত্ৰৰ ভাও দিয়া দেখা যায়।

কুশানগ ানত বিভিন্নচ ৰিত্ৰতঅ ভিনয়ক ৰা েবশভূষাৰ বিশেষ তাৎপৰ্য আছে। পৰম্পৰাভাৱে চলি অহা গীদাল বা গায়নে ধূতি পাঞ্জাৱী কান্ধত চেলেং চাদৰ বা গামোছা পৰিধান কৰে আৰু হাতত বেনা থাকে।

দোৱাৰী ঃ- দোৱাৰীজনৰ আঠুৰ ওপৰত ধূতি, গাত গেঞ্জি বা অধিক হাস্য ৰস বা ৰহস্য সৃষ্টিৰ বাবে ৰং চঙীয়া চোলা বা ফতুৱা পৰিধান কৰে। মুঠতে বহুৱাৰ ৰূপ লয়। তেওঁ দুমুখীয়া চৰিত্ৰৰ ভাওদি সকলোকে সহায় কৰে।

পালি ঃ- পালি সকলে ধূতি-পাঞ্জাৱীৰ লগতে কান্ধত গামোছা ব্যৱহাৰ কৰে।

ছুকুৰি ঃ ছুকুৰি সকলে সাধাৰণতে শাৰী জাতিয় কাপোৰেৰে ছুকুৰিৰ সাজ তৈয়াৰ কৰিছিল।দেখাত ঠিক ঘাগৰাৰ দৰে দেখা গৈছিল। ই নৃত্য আৰু অভিনয় কৰাত সহায় কৰে। শিল্পীয়ে পৰম্পৰাগত বস্ত্ৰ কোচ ৰাজবংশী মহিলাৰ জাতীয় বস্ত্ৰ ‘পাটানী’ পৰিধান কৰা পৰিলক্ষিত হয়।

অলংকাৰ ঃ আ-অলংকাৰৰ ভিতৰত স্থানীয় চন্দ্ৰহাৰ খোপাৰ কাটা,

নাকফুল, কানফুল, নেপূৰ, বাঘুগৰা বাহু পাজু পিন্ধে আৰু কেতিয়াবা কেতিয়াবা খাপ খোৱাকৈ অইন অলংকাৰ পিন্ধাও পৰিলক্ষিত হয়।

আনহাতে কুশান গানৰ পূৰ্ব্বৰ পৰম্পৰামতে মুকলি পথাৰত কলগছৰ মধ্যাংশৰ চাৰিটা খুটি পুতি ৰাইজৰ বহাৰ সুবিধা হোৱাকৈ ওপৰত চায়িমনা বা চামিয়না টানি দিয়ে। তাৰ পিছত ধানখেৰৰ ওপৰত বৃত্তাকাৰে বহাৰ সুবিধা কৰি দিয়ে তাতে দৰ্শক ৰাইজ বহে। পূৰ্ব্বতে উল্লেখ কৰামতে সাজঘৰৰ পৰা মঞ্চলৈ অহাৰ এখন সৰু ঠেক পথ থাকে। সাজঘৰৰ পৰা প্ৰথমে দুজন বাইন কান্ধত খোললৈ আৰু ডাইনাবাইনে তাললৈ আসৰত প্ৰৱেশ কৰি আসন গ্ৰহণ কৰে আৰু খোলবাদনেৰ খোলাবন আৰম্ভ কৰে আৰু পিছত অন্যান্য বাদকৰ প্ৰৱেশ ঘটে, এটি পয়াৰেৰে সুৰৰ মুৰ্চ্চনা সমাপনেৰে খোলবাদন সমাপ্ত ঘটে। খোলাবনৰ অন্তত হাতত বেনালৈ গীদাল প্ৰৱেশ কৰে আৰু ৰাইজক সেৱা জনাই মাজভাগত আসন গ্ৰহণ কৰে আৰু তেওঁৰ পিছফালে দোৱাৰী আৰু আন বাদ্যযন্ত্ৰীসকলে বহি সমূহ শিল্পীৰ সমন্বয়ত, আবাহনি গীত জোৰে। আয়া আহা, হা, হা, হা, সুৰ তুলি শ্লোকমাতে -

ৰাম লক্ষণ পূৰ্বজং ৰঘুবৰং সীতাপতিং সুন্দৰম।
কাকুস্থং কৰুণাময়ং গুণবিধিং বিপ্ৰপ্ৰিয়ং ধাৰ্মিকম।।
ৰাজেন্দ্ৰং সত্যসন্ধং দশৰথ তনয়ং শ্যামলং শান্তমূৰ্তিম।
বন্দে লোকাভিৰামং ৰঘুকুল তিলকং ৰাগবং ৰাবনাৰৰিম।। ইত্যাদি
ইয়াত পিছে পিছে ৰঘুবন্দনা কৰে -
গীদাল ঃ- আৰে ও ভৰসা কৰি সি হে ৰাম তোমাৰ চৰণ দুখানা...
দোৱাৰী ঃ- আচ্ছা বেশ গো
গীদাল ঃ- আৰে তব নামো নিয়া প্ৰভূগো, বেনা নিলং হাতে।
দয়া কৰো দয়াময় প্ৰভূ
অধম জনৰে...
বা
ও দয়াল ৰাম আইস তোমাৰ
ভক্ত হনু সঙ্গে নিয়া
তুমি মন্ত্ৰ-যন্ত্ৰ তুমি আমাৰ - তাল
ৰঘুনাথ হে।
খাৰা বন্দনা পয়াৰ -
ৰামনাথ প্ৰভুনাথ ৰাজীৱ লোচন।
দয়া কৰো ৰঘুনাথ প্ৰভু বন্দিলাম চৰণ।
তব নাম স্মৰণ কৰি প্ৰভু বীনা লৈলাম হাতে
দয়া কৰো দয়াময় প্ৰভু অধম জনাতে।।
অধম বুলিয়যদি দয়া নাকৰিবে।
পতিত পাৱন নাম কোন গুণে ধৰিব।।
ইত্যাদি

ৰঘুবন্দনাৰ পিছত ছুকুৰীসকলে আসৰত প্ৰৱেশ কৰে আৰু পয়াৰ বন্দনা গায়

ও সখীৰে
ঘাটায় ঘাটায় সখী সৰিসাৰ ফুল
কালায় মাৰিলেক সখী জাতি আৰ কুল
সখীৰে...। পয়াৰৰ শেষত।
সৰস্বতী বন্দনা গায় -
আইসেক মা সৰস্বতী
আইসেক মা মোৰ বীনাপানি
আমাৰ আসৰে
আইসেক মা মোৰ বীনাপানি...
তাৰ পিছত ছুকুৰীৰ লগত গীদাল...
দোৱাৰী থিয় হৈ বাদ্যযন্ত্ৰী বজোৱা পয়াৰসুৰ
সুৰতালে চাৰি যুগৰ হৰিৰ মহত্ব প্ৰকাশেৰে অধিক
পৰিবেশ্য কলালৈ ৰূপান্তৰ কৰে
বন্দনা পয়াৰ - হৰি কৰিলি লীলা চমৎকাৰ।
হৰি তোমাৰ লীলা বুজা ভাৰ।।

সত্যযুগে কৰিলেন লীলা হৰি হে
ত্ৰেতায় সে ৰাম ধনুৰ্দ্ধাৰী
দ্বাপৰেতে কৃষ্ণ ৰূপধৰি।।

গীদালে আকৌ সুৰ-ধৰে---

ওহো হো হো হো
লব নিলো তালযন্ত্ৰ
কুশ নিলো বেনা
ৰাম-নাম গাইতে
গাইতে অযোধ্যা লাগিয়া।

চাৰি যুগৰ এই মহত্ব গীতটো গোৱাৰ পিছত গীদালে দৰ্শক ৰাইজৰ অনুমতি বিচাৰি কি পালা আৰম্ভ কৰিব অৰ্থাৎ ৰাইজৰ সহমততে পালা আৰম্ভ কৰে। গীদাল আৰু দোৱাৰীৰ মাজত পৰিবেশিত কাহিনীখিনি কথোপকথনৰ দ্বাৰা ভাংতি কৰা হয়। মাজে মাজে দোৱাৰীয়ে গীদালক খুহতীয়া কথাকৈ দৰ্শক ৰাইজক আনন্দ প্ৰদান কৰে। দোৱাৰীয়ে নাটকৰ পৰিস্থিতি পৰিবেশ সাপেক্ষে ছুকুৰীহতৰ লগত ৰামায়ণৰ বৰ্হিভূত পয়াৰ বা গীতো পৰিবেশন কৰা পৰিলক্ষিত হয়।

এনেদৰে কুশান গানৰ যৱনিকা পৰাৰ আগমুহুৰ্ত্তত গীদাল, দোৱাৰী, ছুকুৰী, পালি সকলো ৰাইজৰ ওচৰত ক্ষমা খুজি গীতৰে মোহিত কৰে -

আৰে দশচক্ৰ ভগৱান
কৰি সমাপন
ভাইৰে হো হো হো
দাৰুণ বিধাতা তাই আহা আহা...
বা
যেনজন শুনিবাৰে কৰে অভিলাষ
সৰ্ব পাপ ঘুচে তাৰ স্বৰ্গ হয় বাস।
অপুত্ৰক শুনিলে সে পায় পুত্ৰবৰ
যে যাহা বাসনা কৰে পুৰায় সত্তৰ।
যেইজন ৰামায়ণ কৰি বে শ্ৰবণ।
পৰলোকে সে স্বৰ্গ কৰিবে গমন।।
মৃত্যু কালে ৰাম নাম কৰে যেইজন।
সশৰীৰে কৰিবে সে বৈকুণ্ঠে গমন।।

সদৌ শেষত ভোলভাঙা অৰ্থাৎ খোলৰ বোলেৰে কুশান গানৰ সমাপ্তি ঘোষণা কৰে। কুশান গানৰ কাহিনী বহিৰ্ভূত অংশ খিনি বাদ দিলে পৰিবেশন ৰীতিলৈ লক্ষ্য কৰিলে আমাৰ ধাৰণা হয় যে ই যেন অংকীয়া নাটৰে কেচা সামগ্ৰী। অংকীয়া নাটৰ দৰে শ্লোক, গীত সংলাপ ভাংতি আদি কুশান গানৰ মূল বস্তু। কুশানৰ পৰা সমললৈ সম্ভৱত গুৰুজনে পৰিমাৰ্জিত ৰূপত ভক্তিমূলক অংকীয়া নাটৰ জন্ম দিছিল।

সম্প্ৰতি এই লোকনাট্য 'কুশান গান' বিলুপ্তিৰ পথত। সামাজিক, ৰাজনৈতিক পৰিৱৰ্তনৰ ফলত এই লোকনাট্য ম্লান পৰিছে। অকল কিছুমান চৰকাৰী আৰু বেচৰকাৰী ব্যক্তিৰ প্ৰচেষ্টাত কুশান গান জীয়াই ৰখাৰ বাবে সংঘাত আৰু সংগ্ৰাম কৰি আছে। এই আপুৰুগীয়া লোকনাট্যৰ বিজ্ঞানসন্মতভাৱে গৱেষণা আৰু সংৰক্ষণ কৰি লিখিত আকাৰত প্ৰকাশ কৰিলে অসমীয়া নাট্য সংস্কৃতিয়ে পূৰ্ণ মৰ্যাদা পাব বুলি কব পাৰি।

(কুশান গিদাল মনমোহন ৰায়, কুশান গিদাল ভুৱন ৰায়ৰ পৰা তথ্যখিনি লোৱা হৈছে।)

*(লেখক 'চেন্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ্ এণ্ড ডেভেলপ্‌মেন্ট'ৰ প্ৰকল্প সহযোগী)*



copyright: Centre for Koch Rajbanshi Studies and Development